**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৬ চনৰ ৮ এপ্ৰিলত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুম্মাৰ খোতবাৰ সাৰাংশ ।**

হয়তো কোনোবাই আমালোকক মুছলমান কওঁক বা অমুছলমান বুলিয়ে কওঁক, নাইবা যি নামেই লওক, কিন্তু আমি আল্লাহ তায়লাৰ প্ৰদত্ত পৰিচয় অনুসৰি আৰু আঁহজৰত (ছাঃ) য়ে প্ৰদান কৰা পৰিচয় অনুসৰি প্ৰকৃত মুছলমান আৰু আমি আমাক উক্ত নামেৰে পৰিচয় দিয়াত কোনেও বাধা প্ৰদান কৰিব নোৱাৰে।

তাছাহুদ, তাউয, তাছমিয়া আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে- এবাৰ হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে এই বিষয়ে বৰ্ণনা কৰিছিল যে আমি নিজে নিজৰ বিষয়ে ভৰা চিন্তা আৰু পৰ্য্যালোচনা কৰা উচিত যে মোৰ কাম আৰু আমল কোৰ'আন আৰু হদিছ অনুসৰি সম্পাদন হৈছে নে, হোৱা নাই ? এনেদৰে কোনো বিষয়ে যদি কোৰ'আন আৰু হদিছৰ পৰা বৰ্ণনা বা উৰাদিহ পোৱা নাযায় যি বিষয়ে মানুহে চিন্তা কৰে, তেন্তে সেই কাম কেনেদৰে সম্পাদন কৰিব পাৰি, এই সম্পৰ্কে অতীত হৈ যোৱা উলামা সকলৰ দিহা আৰু সিদ্ধান্ত গ্ৰহণ কৰা প্ৰয়োজন। এবাৰ এই সম্পৰ্কে হজৰত মছিহ মাওউদ (আঃ) ক প্ৰশ্ন কৰা হৈছিল যে, আমি আমাৰ মছলা-মছায়েল সম্পৰ্কে সিদ্ধান্ত গ্ৰহণত কাৰ সহায় লোৱা উচিত ? ইয়াৰ উত্তৰত তেখেত (আঃ) য়ে কৈছিল যে আমাৰ নিয়ম হ'ল সৰ্বব প্ৰথমে কোৰ'আন কৰিমৰ নিৰ্দ্দেশানুসৰি সিদ্ধান্ত লব লাগিব যদি কোৰ'আন কৰিমত কোনো বিষয়ে উল্লেখ নাথাকে তেন্তে হদিছত বিচাৰিব লাগিব যদি হদিছতো উল্লেখ পোৱা নাযায় তেন্তে উম্মতৰ ইমাম সকলে যি প্ৰমাণ আদি উল্লেখ কৰি থৈ গৈছে তাৰ পৰা সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত হজৰত মছিহ মাওউদ (আঃ) য়ে উল্লেখ কৰিছে যে চুন্নত হদিছৰ ওপৰত স্থান লৈছে গতিকে চুন্নতৰ দ্বাৰা প্ৰমাণিত হ'লে সেয়া আমল কৰিব পাৰি। চুন্নত হ'ল সেয়া যিবোৰ কাম আঁহজৰত (ছাঃ) য়ে কৰি দেখুৱাইছে আৰু চাহাবা সকলে সেয়া শিকিছে, চাহাবা সললৰ পৰা তাবেঈন আৰু তাবেঈন সকলৰ পৰা তাবে-তাবেঈন সকলে শিক্ষা লাভ কৰিছে, আৰু সেয়া উম্মতৰ মাজত প্ৰচলিত হৈ আছে। যিয়েই নহওক হজৰত মুচলে মাওউদ (ৰাঃ) য়ে এই বিষয়ে কৈছে যে আমি আমাৰ জীৱণ প্ৰণালীৰ ওপৰত দৃষ্টি দিব লাগিব আৰু আমি সেইবোৰ কাম কৰিব লাগিব যিবোৰ আল্লাহ আৰু আল্লাহৰ ৰছুলে অনুমতি প্ৰদাণ কৰিছে। মাজে সময়ে কিছুমান মানুহৰ ওপৰত নেকিৰ প্ৰভাৱে এনেকুৱা প্ৰভাৱিত কৰে যে তেওঁ নেকিৰ অসীম সীমাত প্ৰৱেশ কৰি নিজৰ জীৱণ বিপন্ন কৰি তুলে নাইবা নিজৰ ওপৰতেই জুলুম কৰিবলৈ লয়। আকৌ এনেকুৱা কিছুমান লোক আছে সিহঁতে আল্লাহ আৰু তাৰ ৰছুলৰ নিৰ্দেশ ওপৰে ওপৰে ওপেক্ষিত ভাৱে গ্ৰহণ কৰে যদিও তাৰ ওপৰত সঠিক ভাৱে আমল নকৰে। নেকিৰ ক্ষেত্ৰত আগবাঢ়ি যোৱা সকলৰ বহুত উদাহৰণ পাবলৈ আছে। এজনী মহিলাৰ উদাহৰণ তেখেত (ৰাঃ) য়ে আগবঢ়ায়, যিজনীয়ে নেকিৰ নামত নাজায়েজ কাম কৰিবলৈ বিচাৰিছিল, আচলতে সেয়া নেকি নাছিল কাৰণ আল্লাহ তায়লা আৰু তাৰ ৰছুলে সেয়া কৰিবলৈ অনুমতি দিয়া নাই।

ইয়াৰ পিছতে বৰ্ণনা কৰে যে কিছুমান মানুহে মাজে সময়ে নিজৰ সপোন বাস্তবায়িত হ'ব বুলি বৰ গুৰুত্ব প্ৰদাণ কৰে দৰাচলতে তেওঁ সেই স্থানৰ গৰাকী নহয় বা ক'ব নোৱাৰি যে তাৰ সকলো সপোন সঁচা বা তাৰ কোনো অৰ্থ আছে। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে উল্লেখ কৰিছে যে- আজি এজনী মহিলা মোৰ ওচৰত আহিছিল তাইৰ অলপ মগজুৰ দোষ আছে, তাই কবলৈ ধৰিলে যে মই সপোনত দেখো যে হজৰত মছিহ মাওউদ (আঃ) য়ে মোক কৈ আছে যে তুমি একেৰাহে ছয় মাহ ৰোজা ৰাখিলে খলিফাতুল মছিহৰ বেমাৰ ভাল হ'ব ( তেতিয়া হজৰত মুচলেহ মাওউদ (ৰাঃ) অসুস্থ আছিল)। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে তাইক উত্তৰ দিছিল যে তোমাৰ সপোন হজৰত মছিহ মাওউদ (আঃ) ৰ ইলহামতকৈ বেছি সত্যতা বহন নকৰে। হজৰত মছিহ মাওউদ (আঃ) কৈছে যে মোৰ ওপৰত নাযিল হোৱা ইলহামৰ যিকোনো এটা যদি কোৰ'আন আৰু চুন্নতৰ বিৰুদ্ধ হয় তেন্তে সেয়া মই গলধনৰ পৰা পৰিস্কাৰ কৰি বুলগমৰ দৰে দলিয়াই দিওঁ। হজৰত মছিহ মাওউদ (আঃ) য়ে যিহেতু নিজৰ ওহি ইলহাম কোৰ'আন কৰিমৰ

আৰু চুন্নতৰ অনুসৰি হলনে নাই লক্ষ্য কৰিছিল। গতিকে আমাৰ সপোনৰ বিশ্লেষনও তেখেত (আঃ) ৰ নিৰ্দ্দেশানুসৰি কৰিব লাগিব। কোৰ'আন কৰিম আৰু চুন্নতৰ বিপৰীত মূখী সপোন গুৰুত্ব বহুল নহয় বৰং অগ্ৰহনীয় কাৰণ কোৰ'আন আৰু চুন্নতৰ বিপৰীতে হোৱা স্বপ্ন সঁচা নহয়। গতিকে যধে-মধে হোৱা সপোনক বাস্তবায়িত কৰাৰ বাবে নিজকে কষ্টত নিপতিত কৰা কেৱল দোষণীয়ই নহয় বৰং এয়া পৱিত্ৰ আমলৰ পৰিপন্থী আৰু মাজে সময়ে এয়া গোনাহত পৰিণত হয়। আল্লাহ তায়লা যিজনক নিজৰ ফালৰ পৰা প্ৰত্যাদিষ্ট কৰি থিয় কৰে, তাৰ সৈতে আল্লাহ তায়লাৰ সংযোগ আৰু আচৰণ বেলেগ ধৰণৰ হয় আৰু তেওঁ সাধাৰণ মানুহৰ পৰা ভিন্ন হয়। সাধাৰণ মানুহে তাৰ লগত তুলনা কৰিব নোৱাৰে। এই সম্পৰ্কে কোনোবাই হয়তো ভাৱিব পাৰে যে হজৰত মছিহ মাওউদ (আঃ) য়ে একেৰাহে ছয় মাহ ৰোজা ৰাখিছিল। যিয়েই নহওক তেখেতৰ ভাবে স্পষ্ট আছিল যে তেযেতক আল্লাহ তায়লা নবুয়তৰ স্থানত থিয় কৰিব এই বিষয়ে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে মই প্ৰত্যেক জনক এনেকুৱা কৰিবলৈ উপদেশ নিদিওঁ বা মই নিজেওঁ নিজৰ ইচ্ছা অনুসৰি এনেকৈ ৰোজা ৰখা নাই। মনত ৰাখিব যে মই স্পষ্ট দিব্য স্বপ্নৰ জৰিয়তে আল্লাহ তায়লাৰ পৰা বাৰ্তালাভ কৰি নিদাৰুণ শাৰিৰীক কষ্টৰ অংশলৈ ভোক-পিয়াহৰ স্বোৱাদ লভিছো। কিন্তু এনেকুৱা দ্বিতীয় বাৰ আৰু কৰা নাই। ইয়াৰ পিছত মাজে সময়ে তেখেত (আঃ) য়ে নিজৰ ৰোজাৰ বিষয়ে উল্লেখ কৰিছিল আৰু বেলেগক আৰু নিজৰ অনুসৰণকাৰী সকলক এনে কৰিবলৈ নিষেধ কৰিছিল।

আকৌ হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত মছিহ মাওউদ (আঃ) ৰ ওপৰত দোষ জাপি দিয়ে যে তেখেত (আঃ) য়ে আহি এটা জমাত প্ৰতিষ্ঠা কৰি বিবাদৰ জন্ম দিছে, মুছলমান সকলৰ মাজত তেখেত (আঃ) ৰ কথামতে তেখে (আঃ) য়ে ৭৩ নম্বৰ ফিৰকাৰ প্ৰতিষ্ঠা কৰিছে। প্ৰয়োজন হ'ল পাৰ্থক্য দুৰীকৰণ আৰু সম্প্ৰসাৰণ। মক্কাবাসী সকলেও আঁ-হজৰত (ছাঃ) ক দোষাৰোপ কৰিছিল যে- তেখেত (ছাঃ) য়ে, আমাক ভাই-ভাইৰ মাজত ভিন্নতা আনি দিলে, আমাক দুভাগ কৰি পাৰ্থক্যৰ জন্ম দি শত্ৰুতাৰ জন্ম দিলে। দৰাচলতে এনেকুৱা অৱস্থা প্ৰথমৰ পৰাই সিহঁতৰ মাজত বিদ্ধমান আছিল। ঠিক সেই অৱস্থা আজিও মুছলমান সকলৰ মাজত চলি আছে। আল্লাহ তায়লা নবী সকলোক বিবাদ নিষ্পত্তি কৰি সকলোকে একগোট কৰি একতাবদ্ধ কৰিবলৈ পঠায়। গতিকে যিজনে বিশ্বাশ স্থাপণ কৰে সেইজন নিৰাপত্তাৰ অধীনত আহে আৰু বিবাদৰ পৰা আঁতৰি যায় আৰু বিৰুদ্ধবাদী সকলে বিবাদত লিপ্ত হৈ পৰে। এতিয়া আমাৰ বিৰুদ্ধে বিৰুধী সকলে যিমান ইচ্ছা বিৰুধ কৰক কিন্তু পাৰস্পৰিক ভাবে এওঁলোক বিভক্ত, সিহঁতৰ হৃদয়ত পাৰ্থক্য আৰু একতা বিহীন অৱস্থা সংলগ্ন হৈ আছে। যি সময়লৈকে সিহঁতে ইমামক মান্য নকৰিব এনে অৱস্থাতে চলি থাকিব।

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে উক্ত কাজিয়া বিবাদৰ চিত্ৰাস্থিত কৰিবলৈ গৈ উল্লেখ কৰে যে এজন বন্ধুয়ে কলে যে এবাৰ এজন আহলে হাদিছৰ লোক হানিফি সকলৰ মছজিদত সিহঁতৰ লগত বা-জমাত নামাজ পঢ়ি আছিল। আত্তাহিয়াতুৰ মাজত আঙুলি থিয় কৰে আচলতে তেওঁৰ তাছাহুদৰ মাজত আঙুলি থিয় কৰিব লাগিছিল, সেয়া দেখি সকলো মুক্তাদিয়ে নামাজ এৰি তেওঁক হাৰামি-হাৰামি বুলি গালি পাৰিব ধৰিলে। হানিফি সকলৰ বিশ্বাশ হ'ল তাছাহুদৰ মাজত আঙুলি থিয় কৰিব নালাগে। সিহঁতে এইটো নেদেখিলে যে পঢ়ি থকা নামাজ ভঙ্গঁ কৰা কিমান ডাঙৰ অপৰাধ। সকলোৱে নামাজ এৰি তাৰ আঙুলি থিয় কৰা পৰিলক্ষিত কৰি গালি শপনি পাৰিবলৈ ধৰিলে আৰু মাৰধৰ কৰা আৰম্ভ কৰিলে। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কয় যে এনে কুৱা বিবাদ হজৰত মছিহ মাওউদ (আঃ) ৰ আবিৰ্ভাৰৰ আগতেও আছিল, তেখেত (আঃ) য়ে ইয়াৰ সংস্কাৰ কৰিছে। এবাৰ এজনে হজৰত মছিহ মাওউদ (আঃ) ৰ ওচৰত এনেকুৱা পাৰ্থক্য প্ৰশ্ন কৰে যে- আপুনি আহি আৰু বেছি পাৰ্থক্য সৃষ্টি কৰিছে। তেতিয়া তেখেত (আঃ) য়ে কয় যে- ঠিক আছে- আপুনি কওকচোন ভাল গাখীৰ ভালে ৰাখিবলৈ দৈৰ সৈতে মিলাই ৰাখিব নে পৃথকে ৰাখিব ? গাখীৰ ভাল ৰাখিবলৈ হলে দৈৰ পৰা আতৰাই ৰাখিব লাগিব কাৰণ এটোপাল দৈ গাখীৰত পৰিলে গাখীৰ বেয়া হৈ যাব। গতিকে পৱিত্ৰ লোকৰ জমাত সদায় সমস্যা জৰ্জৰিত সকলৰ জমাতৰ পৰা পৃথকে থকা প্ৰয়োজন। যি ফিৰকা বা জমাত প্ৰতিষ্ঠা কৰা হৈছে এয়া পৱিত্ৰ লোকৰ জমাত। গতিকে এয়া সিহঁতৰ পৰা আঁতৰত ৰখা প্ৰয়োজন যি সকলে অধঃপতিত হৈছে। যেনেকৈ সোচঁৰা ৰোগীৰ পৰা আঁতৰত নাথিকিলে নিজেও বেমাৰত আক্ৰান্ত হয়। এনেদৰে আল্লাহ তায়লাৰ

চুন্নত হ’ল আধ্যাত্মিক বেমাৰী সকলৰ পৰা তাৰ প্ৰত্যাদিষ্টৰ দ্বাৰা প্ৰতিষ্ঠিত জমাত পৃথকে ৰখা। আল্লাহ্ তায়লায় কৈছে যে-**“ ইয়া আইয়ুহাল্লাজিনা আমানু কুআনফুছা কুম ওয়া আহলিকুম নাৰা ”**। অৰ্থাৎ নিজৰ আৰু লগতে নিজৰ পৰিয়ালবৰ্গৰ প্ৰাণ দাবানলৰ পৰা ৰক্ষা কৰা।

আকৌ সম্পৰ্ক স্থাপনৰ বিষয়ে উল্লেখ কৰে যে এতিয়া যদি হজৰত মছিহ্ মাওউদ (আঃ) ৰ মান্য কাৰীৰ বিবাহ অ-আহমদীৰ সৈতে পাতি দিয়া হয় তেন্তে গিৰিয়েকৰ বাবে তাই আহমদীয়তৰ পৰা আঁতৰ হৈ যাব আৰু যদি আহমদীয়ত এৰিব নিবিচাৰে তেন্তে তাইৰ ওপৰত অত্যাচাৰ আৰম্ভ হ’ব। গতিকে আমি অ-আহমদীৰ লগত সম্পৰ্ক স্থাপন নকৰি কেৱল বিৰুধীতাৰ হাত সৰা নহয় বৰং নিজকে নিজে ৰক্ষা কৰাৰ চেষ্টা কৰা উচিত। কিন্তু এইফালে মনযোগ কেৱল তাৰেই আকৰ্ষণ হ’ব যি জনে দ্বীনক পাৰ্থিৱতাৰ ওপৰত স্থান দিয়ে। এই ক্ষেত্ৰত আহমদী লৰা সকলেও অন্তৰ্ভুক্ত আছে। যিজন আহমদী লৰায় অ-আহমদী ছোৱালীক বিয়া কৰায়। গতিকে যদি নিজকে নিজে প্ৰকৃত আহমদী বুলি ক’ব বিচাৰে তেন্তে কেৱল নিজৰ স্বাৰ্থ নেদেখিব আৰু আহমদী ছোৱালীকে বিয়া কৰাব। নিজৰ ইচ্ছাক বিসৰ্জন দি ভৱিষ্যত প্ৰজন্মক আৰু দ্বীনক, মূল্য দিব লাগিব নহলে কেৱল ছোৱালী সকলেই অ-আহমদীৰ সংস্পৰ্শত ধংস নহয় লৰাবোৰেও ধংস হ’ব। প্ৰত্যেক জন আহমদীয়েই বুজা উচিত কেৱল সামাজিক প্ৰভাৱ নাইবা সম্পৰ্ক স্থাপনৰ বাবে আহমদী হোৱাটো উচিত নহয় বৰং ধৰ্মৰ মুলভাৱ বুজি লৈ আহমদী হোৱাৰ চেষ্টা কৰা উচিত। যদি আহমদী ল’ৰা সকলে বাহিৰত বিয়া পাতিব বিচাৰে তেন্তে আহমদী জীয়ৰীৰ বিয়া ক’ত হ’ব ? গতিকে লৰা সকলে চিন্তা কৰিব লাগিব। যদি এইফালে সাৱধানতা অৱলম্বন কৰা নহয় তেন্তে সকলোৱে এইফালে তাপলি মেলিব আৰু ভবিষ্যতে এই অৱস্থা আৰু বৃদ্ধিপাব আৰু ভবিষ্যত প্ৰজন্মত গৈ আহমদীয়ত নাথাকিব কেৱল সেই সকলৰ বাদে যি সকলৰ ওপৰত আল্লাহৰ বিশেষ ফজল হ’ব। হজৰত মছিহ্ মাওউদ (আঃ) য়ে এই সম্পৰ্কে সিদ্ধান্ত লৈছিল যে আহমদী ল’ৰা-ছোৱালীৰ নামত এটা ৰেজিষ্ট্ৰাৰ তালিকা প্ৰস্তুত কৰা হওক। এই বিষয়ে এজনে উল্লেখ কৰিলে যে- হুযুৰ বিবাহৰ বাবে উপযুক্ত বয়সৰ কথা আছে, আপুনি কৈছে যে অ-আহমদীৰ সৈতে বিবাহ বন্ধনত আৱদ্ধ নহব। এতিয়া কি কৰিব পৰা যায় ? গতিকে বিবাহৰ উপযুক্ত বয়স হোৱা লৰা ছোৱালীৰ নামৰ তালিকা প্ৰস্তুত কৰা যাওক যাতে বিবাহ বন্ধনত সুবিধা হয়। উক্ত মানুহজনৰে এজনী জীয়ৰী আছিল। যেতিয়া এজন লৰা, ছোৱালী বিচাৰি আহিল, হজৰত মছিহ্ মাওউদ (আঃ) য়ে সেই জনৰ ঘৰত ছোবালীৰ বিয়াৰ প্ৰস্তাৱ পঠালে কিন্তু মানুহজনে নানা অজুহাত দেখুৱাই প্ৰস্তাৱ নাকচ কৰি পিছত জীয়ৰীৰ বিয়া অ-আহমদী লৰাৰ সৈতে পাতি দিয়ে। যেতিয়া কথাটো হজৰত মছিহ্ মাওউদ (আঃ) য়ে জানিব পাৰিলে তেখেত (আঃ) য়ে কলে যে- আজিৰ পৰা মই কোনো বিয়া বাৰুৰ ক্ষেত্ৰত মাত নামাতো এনেকৈ এই প্ৰস্তুতিৰ অন্ত পৰিল। যাৰ বাবেই আজি জমাতত বিয়াবাৰুৰ সমস্যাবিদ্ধমান ৰৈ আছে। জমাততএনে লোকও আছে যিসকলে নিজৰ ব্যাক্তিত্বৰ মৰ্যদাৰ গৰ্বত ভাল প্ৰস্তাৱ এটা নাকচ কৰি দিয়ে যত লৰা ছোৱালী দুয়ো সন্মত থাকে। যিয়েই নহওক এনেকুৱা মানুহ যেতিয়া আছে যে হজৰত মছিহ্ মাওউদ (আঃ) ৰ কথা অমান্য কৰে সেই ক্ষেত্ৰত মোৰ কথা (হুযুৰ আনোৱাৰ (আঃ)) অগ্ৰাজ্য কৰাটো ডাঙৰ বিষয় নহয়। যিয়েই নহওক কথা হ’ল যদি আহমদী লৰা-ছোৱালী ভাল সন্মত হয় তেন্তে পিতৃ-মাতৃয়ে জেদ ধৰিব নালাগে। জাত-পাত মৰ্যদা আদিৰ সমস্যা বিচাৰ্য্যি নহয়। বিয়া বাৰুৰ ক্ষেত্ৰত ছোৱালীৰ পছন্দ অপছন্দৰ বিষয়টো গুৰুত্ব দিব লাগে। আঁ-হজৰত (ছাঃ) য়ে এয়া পছন্দ কৰিছিল যে ছোৱালীৰ পছন্দ আৰু ইচ্ছাক গুৰুত্ব দিব লাগিব। কিন্তু ইছলামত এইটো জৰুৰী যে ওলিৰ অনুমতি অবিহনে নিকাহ্ জায়েজ নহয়। কিন্তু এয়া অকলশৰীয়া বা পৃথক জনীৰ বাবে প্ৰযোজ্য নহয়। ইয়াৰ বাবে পৃথক ব্যাৱস্থা আছে। হজৰত মছিহ্ মাওউদ (আঃ) য়ে কৈছে- চৰিয়তৰ বিৰুদ্ধ কাম হ’ল ছোৱালীৰ সন্মতি ক্ৰমে কোনো ওলিৰ অনুপস্থিতি বা সন্মতি অবিহনে বিবাহ কাৰ্য্য সম্পাদন কৰা। আগতেই উল্লেখ কৰা হৈছে যে বিনা কাৰণত পিতৃ-মাতৃয়ে এনে জোৰ জৱস্থি কৰিব নালাগে, মিছাতে প্ৰলোব্দ হৈ সম্পৰ্ক স্থাপন কৰিব নালাগে। উপযুক্ত কাৰণ অবিহনে এনে কাৰ্য হত্যাৰ দৰে অপৰাব সব্যস্ত হ’ব। ইছলামত ইয়াৰ অনুমতি নাই যে ছোৱালীয়ে ঘৰৰ পৰা ওলাই আদালত বা কোনো মৌলভীৰ ওচৰত গৈ বিয়া পাতে। কিছুমান বাধ্যবাদকতাৰ ক্ষেত্ৰত অৱস্থা অনুমতি ছোৱালীয়ে যুগ খলিফাৰ ওচতৰ লিখিব পাৰে আৰু তাৰ সিদ্ধান্ত অনুসৰি কাম কৰিব পাৰে। গতিকে যদি দ্বীনক

পাৰ্থিবতাৰ ওপৰত স্থান দিয়ে আৰু নিয়ম নীতি পালন কৰে তেন্তে আল্লাহ তায়লা ল'ৰা-ছোৱালীৰ ওপৰত দয়া বৰ্ষণ কৰিব। এখন জুম্মাৰ খোতবাত হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে এই বিষয়ে বৰ্ণনা দি আছিল যে জিকৰে ইলাহি আৰু আল্লাহ তায়লাৰ সৈতে সম্পৰ্ক গঢ়াৰ বাবে আৰু ভালপোৱাৰ বাবে প্ৰয়োজন হ'ল আল্লাহ তায়লাৰ গুনাৱলী আগত ৰাখি নিজৰ নিজৰ সম্পৰ্ক স্থাপন কৰা হয়। আল্লাহ তায়লা প্ৰকৃত ভালপোৱা তেতিয়া অৰ্জন হয় এয়া হ'ল কুদৰতি নিয়ম যে সকলো পাৰ্থিব সম্পৰ্ক আৰু ভাল পোৱাৰ বাবে এয়া প্ৰয়োজন যে যাৰ সৈতে ভাল পোৱা গঢ়ি উঠে কমপক্ষে তাৰ চাৰিত্ৰিক চিত্ৰ আৰু ফটোৰ জৰিয়তে পছন্দ অপছন্দৰ যেন প্ৰকাশ হয়। লগতে আৰু কয় যে ভাল পোৱা সৃষ্টিৰ বাবে কোনো ব্যাক্তিত্ব সমুখত হোৱা প্ৰয়োজন যেনেকৈ অনুমতি ইছলামে প্ৰদান কৰিছে। এয়া কোনো নতুন কথা নহয়। আজিৰ যুগত বিবাহ বন্ধনৰ বাবে ফটো আদান প্ৰদানহয়। ইছলামে কয় যে যেতিয়া তুমি বিয়া কৰাবা চেহেৰা চাই লবা আৰু যেতিয়া প্ৰত্যক্ষ ভাবে দেখাৰ সুবিধা নাথাকে আজিৰ যুগত ফটোৰ সহায় লব পাৰে যি পদ্ধতি আগতেও আছিল।

হুযুৰ আনোৱাৰ (আঃ) য়ে ইয়াৰ পিছত অ-জমাতি এজন মৌলভীৰ ঘটনা বৰ্ণনা কৰে কেনেকৈ তেওঁ হজৰত মছিহ মাওউদ (আঃ) ৰ বিৰুদ্ধে হিংসা বিদ্বেষ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। কেনেকুৱা মিছা মাতিছিল আৰু এতিয়াও মিছা মাতে আৰু তেখেত (আঃ) ক দোষাৰোপ কৰে। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কয় যে- তেওঁ লোকে হজৰত মছিহ মাওউদ (আঃ) ক যাদুকৰ বুলি কৈছিল। মোৰ মনত আছে, এজন বন্ধুয়ে কৈছিল যে ফিৰোজ পুৰ অঞ্চলত এজন মৌলভীয়ে নিজৰ ভাষণত কৈছিল যে আহমদী সকলৰ কিতাপবোৰ পঢ়িব নালাগে আৰু কাদিয়ানলৈ কেতিয়াও যাব নালাগে আৰু এই মিছলীয়ায় মানুহক নিজৰ মনে সজা ঘটনা এটা নিজৰ কথাৰ পৰিপ্ৰেক্ষিতে শুনায়। কিন্তু আল্লাহ তায়লা উপযুক্ত সময়তে সেয়া মিছা বুলি প্ৰতিপন্ন কৰি দেখুৱায়। ইয়াতো সেই একেই ঘটনা ঘটে। সেই বৈঠকত এজন অ-আহমদী উকিলো উপস্থিত আছিল, তেওঁ এজন পৱিত্ৰ চেতা লোক আছিল, তেওঁ কেতিয়াবা প্ৰথম খলিফাৰ ওচৰত চিকিৎসাৰ বাবে আহিছিল। তেওঁ কয় যে আপোনালোকে জানে যে মই আহমদী নহয় কিন্তু মই চিকিৎসাৰ বাবে তালৈ গৈছিলো, গতিকে মৌলভী চাহাবে যিবোৰ কথা কৈছে সকলো মিছা। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কয় যে এতিয়াও এনেকুৱা বহুত মানুহ আছে যিসকলে ভাবে ইয়াত যাদু আছে যাৰ ফলত এই জমাতত অন্তৰ্ভুক্ত হোৱা মানুহবোৰক গালি শপনি পাৰিলে, মাৰধৰ কৰিলে, অসন্মান কৰিলে, ধনমালৰ লোকচান কৰিলেও আহমদীয়ত এৰিব নোৱাৰে। সিহঁতে ভাবে যে মাৰধৰ, গালি শপনি ক্ষয় ক্ষতিৰ বাবে এই সকলে ভয় কৰিব কিন্তু কোনো বিষয়েই ইহঁতৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে গতিকে নিশ্চয় কোনো যাদু আছে যাৰ ফলত এই লোক সকলে ঈমানৰ ওপৰত অলৰ অচৰ থাকে। আল্লাহ তায়লা এনে মিছলীয়া মৌলভী সকলৰ পৰা উম্মতক ৰক্ষা কৰক আৰু মানুহক সত্য চিহ্নিত কৰাৰ সামৰ্থ দান কৰক আৰু আমালোকক আমাৰ দায়িত্ব বুজাৰ তৌফিক দান কৰক।

খোতবা জুম্মাৰ শেষত হুযুৰ আনোৱাৰ (আইঃ) য়ে মকৰ্‌মা ছকিনা নাহিদ বিনতে মকৰ্‌ম মহম্মদ দ্বিন চাহাব মৰহুম আৰু মকৰ্‌ম শওকত গনি চাহাব ইবনে কাজি আব্দুল গনি চাহাবৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষনা কৰে। আল্লাহ তায়লা ইহঁতৰ মৰ্যদা উন্নীত কৰে যেন। (আমিন)

**********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 8th April 2016**

**Book Post (Printed Matter)**

To

______________________________

______________________________

______________________________

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV , Bongaigaon Assam 783384. M:-+919864337890